**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-SEP-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

——————————————————

১। ৰাজ্যৰ শিক্ষাৰ্থী আৰু যুৱ প্ৰজন্মক বিজ্ঞানৰ প্ৰতি আগ্ৰহী হ'বলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আহ্বান।

২। নগাঁও লোকসভাৰ উপ-নিৰ্বাচনৰ বাবে শাসক-বিৰোধীৰ প্ৰচাৰ তুংগত। চামগুৰিত প্ৰাক নিৰ্বাচনী হিংসা।

৩। ৰাজ্যৰ বিভিন্ন স্থানত চাহ জনগোষ্ঠীৰ পৰম্পৰাগত কৰম পূজা পালন।

৪। গুজৰাটৰ একতা নগৰত আজি ৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান অনুষ্ঠান।

**আৰু**

৫। এছিয়ান গেমছত মহিলা ক্ৰিকেটৰ ফাইনেলত আজি ভাৰত শ্ৰীলংকাৰ মুখামুখি।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি চন্দ্ৰপুৰত ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান- ইছৰ'ৰ উন্নত ৰাডাৰ গৱেষণা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰি ৰাজ্যৰ শিক্ষাৰ্থীসকলক বিজ্ঞানৰ প্ৰতি আগ্ৰহী হোৱাৰ আহ্বান জনাইছে। ইছৰ'ৰ অধ্যক্ষ ড০ ভি নাৰায়ণনৰ উপস্থিতিত গৱেষণা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে সোণাপুৰৰ ছায়েন্স চিটী আৰু মহাকাশ গৱেষণা কেন্দ্ৰৰ সৈতে ৰাজ্যৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলক জড়িত কৰাৰ চেষ্টা চলোৱা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ শিক্ষাৰ্থীসকলৰ বিজ্ঞান শিক্ষাৰ প্ৰতি আগ্ৰহ কম হোৱাৰ বাবে আক্ষেপ প্ৰকাশ কৰে। তেওঁ কয়, যে আত্মনিৰ্ভৰ অসমৰ সপোন পূৰণ কৰিবলৈ হ'লে ৰাজ্যৰ শিক্ষাৰ্থী আৰু যুৱ সমাজক বিজ্ঞান, প্ৰযুক্তিবিদ্যা তথা মহাকাশ বিজ্ঞানৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগিব।

**ৰাইট (চি এম)**

চন্দ্ৰপুৰৰ ২০০ বিঘা ভূমিত নেত্ৰা প্ৰকল্পৰ অংশ হিচাপে নিৰ্মাণ হ'বলগীয়া এই অত্যাধুনিক কেন্দ্ৰটোৱে মহাকাশত থকা বিভিন্ন উপাদানৰ গতি-বিধি নিৰীক্ষণৰ লগতে ভাৰতৰ গুৰুত্বপূৰ্ণ মহাকাশ সম্পদসমূহ সুৰক্ষিত ৰখাৰ ক্ষমতা অধিক শক্তিশালী কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই এসময়ত দেশৰ প্ৰধান প্ৰযুক্তি কেন্দ্ৰসমূহৰ পৰা বহু দূৰত বুলি বিবেচিত হোৱা অসমৰ ভূমিত এনে অত্যাধুনিক ৰাষ্ট্ৰীয় আন্তঃগাঁথনি গঢ় লৈ উঠাটো ৰাজ্যবাসীৰ বাবে সন্তুষ্টিৰ বিষয় বুলি উল্লেখ কৰে। ড° শৰ্মাই এই কৌশলগত ৰাষ্ট্ৰীয় প্ৰকল্পৰ বাবে অসমক বাছনি কৰি ভাৰতৰ মহাকাশ আৰু প্ৰযুক্তিৰ মানচিত্ৰত নতুন স্থান প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখযোগ্য যে দুবছৰ পূৰ্বে ইছৰ'ই অসমত এই মহাকাশ গৱেষণা কেন্দ্ৰ স্থাপনৰ বাবে ৰাজ্য চৰকাৰক প্ৰস্তাৱ দিছিল। ইয়াৰ পাছত চন্দ্ৰপুৰৰ পূৰ্বৰ তাপ বিদ্যুৎ প্ৰকল্পৰ ভূমিত এই গৱেষণা কেন্দ্ৰ স্থাপনৰ বাবে কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰা হয়। অহা বৰ্ষৰ ফেব্ৰুৱাৰীৰ পৰা এই কেন্দ্ৰটোত ডাৰৰ গৱেষণাৰ বাবে প্ৰথমটো ৰাডাৰ স্থাপন কৰা হ'ব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ডিফুত বিভিন্ন বিভাগৰ বিষয়াৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত কাৰ্বি আংলঙত ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়নমূলক কাম-কাজ তথা আঁচনিসমূহৰ পৰ্যালোচনা কৰা হয়। অঞ্চলটোৰ বিকাশ ত্বৰান্বিত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে সকলো আঁচনি নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। কালি বিয়লি ডিফুত উপস্থিত হোৱাৰ সময়ত মুখ্যমন্ত্ৰীগৰাকীক জনতাই আদৰণি জনায়। প্ৰায় ২ কিলোমিটাৰ ৰোডশ্ব'ত অংশগ্ৰহণ কৰা মুখ্যমন্ত্ৰী ড০ শৰ্মাক ঠায়ে ঠায়ে জনজাতীয় লোকৰ পৰম্পৰাগত গলবস্ত্ৰ, ফুলৰ থোপা, গামোচা, কাবি' পহ' আদিৰে আদৰণি জনোৱা হয়। মুখ্যমন্ত্ৰীয়ে তাৰালাংছ'ৰ অতিথিশালাত কালি নিশা কটায়।

০০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে শাসক-বিৰোধীৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসকীয় বিজেপিয়ে সমষ্টিটো দখলৰ বাবে আগ্ৰাসী প্ৰচাৰ চলোৱাৰ বিপৰীতে কংগ্ৰেছে নিজৰ আসনখন ধৰি ৰখাৰ আপ্ৰাণ চেষ্টা চলাইছে। একেদৰে এ আই ইউ ডি এফেও সমষ্টিটোত ব্যাপক প্ৰচাৰ চলাইছে। ইতিমধ্যে বিজেপিয়ে নিৰ্বাচনৰ বাবে তাৰকা প্ৰচাৰকৰ তালিকা প্ৰকাশ কৰিছে। সমষ্টিটোত ২৮ ছেপ্তেম্বৰৰ পৰা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰচাৰ চলোৱা কথা। ইতিমধ্যে বিজেপিৰ সভাপতি দিলীপ শইকীয়াকে ধৰি ভালেসংখ্যক নেতাই সমষ্টিটোত প্ৰচাৰ অব্যাহত ৰাখিছে। কংগ্ৰেছৰ অসমৰ তত্বাৱধায়ক ভূপেশ বাঘেলেও সমষ্টিটোৰ বিভিন্ন স্থানত প্ৰচাৰ চলাইছে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতাগৰাকীয়ে নগাঁও লোকসভা সমষ্টিৰ অধীনৰ চামগুৰিত কালি প্ৰচাৰ চলাবলৈ যোৱাৰ সময়তে নিৰ্বাচনী হিংসাৰ সন্মুখীন হ'বলগীয়া হয়। চামগুৰিৰ বৰমাত কংগ্ৰেছ আৰু বিজেপিৰ একাংশ কৰ্মীৰ মাজত কালি সংঘৰ্ষৰ সূত্ৰপাত হয়। কালি সভালৈ যোৱা জ্যেষ্ঠ কংগ্ৰেছ নেতা ভূপেশ বাঘেল, সাংসদ ৰকিবুল হুছেইন, প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ লগতে কংগ্ৰেছ নেতা ৰাজেদ আলী চৌধুৰীক একাংশ লোকে ক'লা পতাকা প্ৰদৰ্শন কৰে। ইয়াৰ পাছতে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে লাঠীচালনা কৰে। ঘটনা সন্দৰ্ভত কালি সন্ধিয়া প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈসহ বহু সংখ্যক কংগ্ৰেছ নেতা-কৰ্মীয়ে নগাঁও সদৰ আৰক্ষী থানাৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে লিখিত অভিযোগ দাখিল কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱা তথা দেশসেৱাৰ মন্ত্ৰৰে কৰা যাত্ৰাৰ ২৫ বছৰ সম্পূৰ্ণ কৰিছে। সেৱা আৰু সুশাসনৰ দৃষ্টিভংগীৰে পৰিচালিত হৈ চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে অবিৰতভাৱে কাম কৰি আহিছে। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত সামগ্ৰিক উন্নয়ন আৰু সামাজিক সৰলীকৰণৰ জৰিয়তে দেশৰ জনসাধাৰণৰ জীৱন ধাৰণৰ আমূল পৰিৱৰ্তন ঘটোৱাৰ প্ৰয়াস কৰা হৈছে।

প্ৰধানমন্ত্ৰীৰ নেতৃত্বত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত ভালেমান উন্নয়নমূলক কাৰ্যসূচী আৰু প্ৰকল্প ৰূপায়িত হৈছে। ইয়াৰে ভিতৰত সাগৰমালা প্ৰকল্পৰ অধীনত কেন্দ্ৰীয় চৰকাৰে দেশৰ বন্দৰ আৰু জলপথসমূহৰ আধুনিকীকৰণ কৰি পৰিবহণ ব্যৱস্থা দ্ৰুত আৰু সুলভ কৰি তোলাৰ যি লক্ষ্য সেয়া অসমৰ ক্ষেত্ৰতো পৰিলক্ষিত হৈছে। এই সন্দৰ্ভত আমাৰ এটি চমু প্ৰতিবেদন -

**(প্ৰতিবেদন)**

কেন্দ্ৰীয় চৰকাৰৰ সাগৰমালা প্ৰকল্পৰ অধীনত ৰাজ্যখনৰ ব্ৰহ্মপুত্ৰ নদীক কেন্দ্ৰ কৰি বিভিন্ন কাম হাতত লোৱা হৈছে। এই প্ৰকল্পৰ অধীনত ৰাজ্যখনৰ ৭৬০ কোটি টকাতকৈও অধিক মূল্যৰ বিভিন্ন জলপথ

প্ৰকল্পৰ কাম চলি আছে। ব্ৰহ্মপুত্ৰৰ বুকুত উজান বজাৰ, শদিয়া, তেজপুৰ, ডিব্ৰুগড় আদি স্থানত পৰ্যটন জেটি নিৰ্মাণ কৰা হৈছে। গুৱাহাটীৰ কামাখ্যা, উমানন্দ, অশ্বক্লান্ত, দৌল গোবিন্দ আদি ৭ টা ঐতিহাসিক স্থানক জলপথেৰে সংযোগ কৰাৰ বিশেষ প্ৰকল্প গ্ৰহণ কৰা হৈছে। বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰ্যালয়ে ৰাজ্যখনত ব্ৰহ্মপুত্ৰৰ জলভাগেৰে আৰু ১০টা নতুন জলপথ প্ৰকল্প নিৰ্মাণৰ লক্ষ্য লৈছে। ইয়াৰ বাবে নদী আন্তঃগাঁথনি উন্নত কৰাৰ ক্ষেত্ৰত প্ৰায় ৬৪৫ কোটি টকাৰ ধন ব্যয়ৰ বাবে ধাৰ্য কৰা হৈছে।

০০০০০০০

ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলে আজি পৰম্পৰাগত ৰীতি-নীতিৰে কৰম পূজা পালন কৰিছে। ৰাজ্যৰ চাহ জনগোষ্ঠী আৰু আদিবাসী সমাজৰ অন্যতম প্ৰধান কৃষিভিত্তিক তথা জাতীয় উৎসৱ কৰম পূজা উপলক্ষে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে কৃষিভিত্তিক উৎসৱ কৰম পৰৱে প্ৰকৃতিৰ সৈতে মানুহৰ নিবিড় সম্পৰ্ক আৰু সহাৱস্থানৰ অনন্য পৰিচয় দাঙি ধৰে। তেওঁ কয়, যে এই পৰৱ আধ্যাত্মিকতা, লোকবিশ্বাস আৰু সাংস্কৃতিক পৰম্পৰাৰ সমাহাৰেৰে সমৃদ্ধ।

শস্য নদন-বদন হোৱা আৰু কৃষি কাৰ্যত কোনো বাধা-বিঘিনি নঘটি উৎপাদিত শস্যৰ পৰিমাণ বৃদ্ধি হোৱাৰ কামনাৰে এই পূজা কৰা হয়। পূজাৰ মূল অংশ হিচাপে কৰম গছৰ ডাল আনি বিশেষ পূজা-অৰ্চনা কৰা হয়। মাদলৰ চেৱত ঝুমইৰ নৃত্য আৰু লোকগীতেৰে পূজাস্থলী আৰু চাহ বাগিচাসমূহ উখল-মাখল হৈ পৰে।

(গীত)

০০০০০০

গুজৰাটৰ একতা নগৰত ৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ আজি প্ৰদান কৰা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সন্ধিয়া এই বঁটাসমূহ প্ৰদান কৰিব। বিভিন্ন শিতানত চলচ্চিত্ৰৰ কলাত্মক আৰু উৎকৃষ্ট কাৰিকৰী দিশসমূহক প্ৰাধান্য দি ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ নীতিগত দিশৰ প্ৰতি সঁহাৰি জনাই এইবেলি এই বঁটা প্ৰদান অনুষ্ঠান ৰাষ্ট্ৰীয় ৰাজধানীৰ বাহিৰত আয়োজন কৰা হৈছে। গুজৰাটৰ একতা নগৰত হ'বলগীয়া এই অনুষ্ঠানত দেশৰ চলচ্চিত্ৰ প্ৰতিভাসকল একত্ৰিত হ'ব, যাৰ জৰিয়তে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ চেতনা প্ৰতিফলিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে প্ৰবীণ অভিনেতা অনন্ত নাগক ২০২৪ চনৰ দাদাছাহেব ফাল্কে বঁটাৰে সন্মানিত কৰিব। আৰ্টিকল ৩৭০ ছবিখনে শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা লাভ কৰাৰ লগতে চলচিত্ৰখনত অভিনয় কৰাৰ বাবে য়ামি গৌতমে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰিছে।

০০০০০০

তামুলপুৰৰ ১ নম্বৰ ডোঙাৰ গাঁৱত ভূটানৰ পৰা বৈ এখন নৈত কালি এটা মৃত হাতী পোৱালী উদ্ধাৰ কৰা হয়। প্ৰায় ১০ দিনীয়া এই হাতী পোৱালীটোৰ মৃতদেহ উদ্ধাৰ কৰি বন বিভাগে মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰে। মৃতদেহটোত কুকুৰে আক্ৰমণ কৰা বন বিভাগে সন্দেহ কৰিছে। প্ৰায় এসপ্তাহৰ ভিতৰতে তামুলপুৰ উত্তৰাঞ্চলত দুটাকৈ বনৰীয়া হাতীৰ অস্বাভাৱিক মৃত্যুৰ হোৱাৰ ঘটনাই প্ৰকৃতিপ্ৰেমীসকলক ব্যথিত কৰিছে।

০০০০০০

শিৱসাগৰৰ বিহুবৰত আজি পুৱতি নিশা আৰক্ষীৰ গুলীত ড্ৰাগছ সৰবৰাহৰ সৈতে জড়িত এজন যুৱক আহত হয়। আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টা কৰাৰ সময়ত ৰুবুল খান নামৰ যুৱকজন গুলীবিদ্ধ হয়।

ড্ৰাগছ সৰবৰাহী বিকি সিঙৰ সহযোগী ৰুবুল খানৰ সোঁভৰিত গুলী লগাত তেওঁক শিৱসাগৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। উল্লেখযোগ্য যে বিমান বৰুৱা নামৰ ব্যক্তিজনৰ হত্যাকাণ্ডৰ সৈতে ৰুবুল খানো জড়িত আছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। হত্যাকাণ্ডটোৰ সৈতে জড়িত বিকি সিঙো যোৱা ১৯ ছেপ্তেম্বৰত আৰক্ষীৰ গুলীত আহত হৈছিল।

oooooo

বজালী জিলাৰ সদৰ পাঠশালাৰ পৰা চুবুৰীয়া ৰাষ্ট্ৰ ভূটানলৈ যাব পৰা ভাৰত-ভূটান সংযোগী ১২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ মেৰামতি আৰু উন্নীতকৰণৰ দাবীৰ প্ৰতি কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে ইতিবাচক সঁহাৰি জনাইছে। ৰাজ্যসভাৰ সাংসদ প্ৰমোদ বড়োৱে যোৱা ১ ছেপ্তেম্বৰত পথছোৱাৰ মেৰামতি উন্নীতকৰণ আৰু প্ৰয়োজনীয় স্থানত সম্প্ৰসাৰণৰ দাবীৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীলৈ পত্ৰ প্ৰেৰণ কৰিছিল। ইয়াৰ প্ৰত্যুত্তৰত মন্ত্ৰী শ্ৰী গাডকাৰীয়ে বিষয়টোৰ ক্ষেত্ৰত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সাংসদগৰাকীয়ে জানিবলৈ দিছে। উল্লেখযোগ্য যে যান-বাহনৰ ব্যস্ততাৰ তুলনাত পাঠশালা-নাংগলাং সংযোগী পথছোৱা ঠেক হোৱা বাবে এই পথত সঘনাই দুৰ্ঘটনা সংঘটিত হৈ আহিছে। পথছোৱাৰ মেৰামতি সম্পূৰ্ণ হ'লে যাতায়াত ব্যৱস্থা অধিক সূচল আৰু নিৰাপদ হোৱাৰ লগতে অসম আৰু ভূটানৰ মাজত বাণিজ্যিক যোগাযোগো অধিক শক্তিশালী হ'ব বুলি আশা কৰা হৈছে।

oooooo

এছিয়ান গেমছত মহিলা ক্ৰিকেটৰ ফাইনেলত আজি ভাৰতীয় দলটো শ্ৰীলংকাৰ মুখামুখি হ'ব। জাপানৰ নিছিনত হ'বলগীয়া খেলখন ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ১০ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে বাংলাদেশৰ বিৰুদ্ধে ১১৪ ৰানৰ প্ৰভাৱশালী বিজয়েৰে ভাৰতে ফাইনেলত নিজৰ স্থান নিশ্চিত কৰে। আনহাতে শ্ৰীলংকাই পাকিস্তানৰ বিৰুদ্ধে জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰে।

ইফালে ভাৰতৰ পুৰুষ বেডমিণ্টন দলটোৱে কালি বাংলাদেশক ৩-০ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ভাৰতীয় মহিলা বেডমিণ্টন দলটো আজি কোৱাৰ্টাৰ ফাইনেলত আয়োজক দেশ জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দলটোৱে কালি কাজাখাস্তানক ৩-০ৰ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।

oooooo

**হৰিনাম, গুৰু-বন্দনাৰে মুখৰ মাজুলী-বটদ্ৰৱা-বৰপেটা, ডিফুৰ তাৰালংছ'ত মুখ্যমন্ত্ৰীৰ ২ কিলোমিটাৰ জোৰা ৰ'ড শ্ব', নগাঁও উপ- নিৰ্বাচনৰ বাবে বিজেপিৰ ষ্টাৰ কেম্পেইনাৰৰ তালিকা প্ৰকাশ, আই পি এল জুৱা মাফিয়া দীপেশ বাজোৰিয়াক ইডিৰ গ্ৰেপ্তাৰ- আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকত সমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। মহাকাশ প্ৰযুক্তিৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰি চন্দ্ৰপুৰত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইছৰ'ৰ ইষ্ট্ৰেক উন্নত ৰাডাৰ গৱেষণা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰাৰ** বাতৰি **অসমীয়া প্ৰতিদিন**, **ডি আছাম ট্ৰিবিউন** কাকতৰ লগতে প্ৰায়ভাগ কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। ৰাজ্যখনক ভাৰতৰ মহাকাশ আৰু প্ৰযুক্তিৰ মানচিত্ৰত এক নতুন স্থান প্ৰদান কৰাৰ বাবে সাংসদ দিলীপ শইকীয়াই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে। বাতৰিটো **অসমীয়া খবৰ** কাকতখনৰ। **দৈনিক অসম** কাকতৰ ৬২ সংখ্যক জয়ন্তী উদযাপন আৰু 'প্ৰাণৰ জুবিন' শীৰ্ষক গ্ৰন্থ উন্মোচনৰ বিভিন্ন বাতৰি কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আঠগাওঁ কবৰস্থানত কবি আনিছ উজ জামানৰ জানাজা সম্পন্ন হোৱাৰ

বাতৰি **নিয়মীয়া বাৰ্তা** কাকতখনে 'অশ্ৰুশিক্ত নয়নেৰে কবি আনিছ উজ জামানক বিদায় গুণমুদ্ধৰ'- এই শিৰোণামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। নাগালেণ্ডৰ ছবি আঙে টৰন্টো আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোসৱৰ প্ৰতিযোগিতামূলক 'প্লেটফৰ্ম' শাখাত শ্ৰেষ্ঠ বঁটা লাভ কৰাৰ বাতৰিটো **আমাৰ অসম** কাকতখনে সবিস্তাৰে প্ৰকাশ কৰিছে। ভাৰতৰ নাগৰিক বুলি একাধিক লোকে পাছপৰ্ট লাভ কৰাৰ উদ্বেগজনক তথ্য গুৱাহাটী উচ্চ ন্যায়ালয়ত পোহৰলৈ অহাৰ বাতৰি এটা দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে। নিৰ্বাচনী হিংসাত্মক ঘটনাক কেন্দ্ৰ কৰি নগাঁৱৰ চামগুৰি বিধানসভা উত্তপ্ত হৈ পৰাৰ বাতৰি **দৈনিক জনমভূমি** আৰু **ডা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত আংশিকভাৱে বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকণিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়, অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**